**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time:** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::::

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জনাইছে যে শক্তি খণ্ডৰ নিৰাপত্তা আৰু সামুদ্ৰিক পৰিবহন সুনিশ্চিত কৰাৰ বাবে ভাৰত বদ্ধপৰিকৰ।

২। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইয়ে ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে।

৩। অসমত আজি ৰঙালী বিহুৰ দ্বিতীয় দিনটো মানুহ বিহু হিচাপে পালন কৰা হৈছে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে অহা শুকুৰ আৰু শনিবাৰে দেশজুৰি নাৰী শক্তি বন্দন দৌৰৰ আয়োজন কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল ছেলেঞ্জাৰ্চ বাংগালুৰু - লক্ষ্ণৌ চুপাৰ জায়েণ্টছ্‌ৰ সন্মুখীন হ'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জনাইছে যে শক্তি খণ্ডৰ নিৰাপত্তা আৰু সামুদ্ৰিক পৰিবহনৰ ক্ষেত্ৰত যাতে কোনো  ধৰণৰ বিসঙ্গতিয়ে দেখা নিদিয়ে তাৰ ওপৰত নজৰ ৰখাৰ বাবে ভাৰত বদ্ধপৰিকৰ। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে মন্ত্ৰীগৰাকীয়ে কয় যে যোগান শৃংখলাত ব্যাঘাত জন্মাব পৰা কেতবোৰ বিষয় আলোচনা কৰিবৰ বাবে জাপানে এছীয় মহাদেশসমূহক অন্তৰ্ভুক্ত কৰি আয়োজন কৰা শক্তি খণ্ডত শূন্য নিৰ্গমন সমূহীয়া আলোচনাত তেওঁ অংশগ্ৰহণ কৰে। তেওঁ জানিবলৈ দিয়ে যে ব্যৱসায়িক জাহাজ চলাচলত হ'ব পৰা আক্ৰমণৰ ঘটনাসমূহ ভাৰতৰ বাবে কোনো ধৰণেই গ্ৰহণযোগ্য নহয়। মন্ত্ৰীজনে লগতে কয় যে গোলকীয়ভাৱে উন্নতিৰ দিশে আগবাঢ়িবলৈ হ'লে শক্তি খণ্ডৰ বজাসমূহত কোনো ধৰণৰ বাধা আহিব নোৱাৰিব। শক্তি খণ্ডৰ মুখ্য ক্ৰেতা হিচাপে ভাৰতে একে ধৰণৰ চিন্তাধাৰাৰে কাম কৰিবলৈ বিচৰা দেশসমূহৰ সৈতে সঠিক অংশীদাৰিত্বৰে যোগান শৃংখলা শক্তিশালী কৰাৰ ওপৰত কাম কৰাৰ বাবে ইচ্ছুক বুলিও ড০ জয়শংকৰে জানিবলৈ দিয়ে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ্ ইয়ে ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। ছি বি এছ্ ইয়ে প্ৰকাশ কৰে যে উত্তৰ্ণৰ হাৰ হৈছে ৯৩ দশমিক ৭-০ শতাংশ। মুঠ উত্তীৰ্ণৰ ভিতৰত ছাত্ৰী সৰ্বাধিক সংখ্যক ৯৪ দশমিক ৯-৯ শতাংশ, ছাত্ৰ ৯২ দশমিক ৬-৯ শতাংশ আৰু তৃতীয় লিংগৰ ৮৭ দশমিক ৫-০ শতাংশ আছে। উল্লেখযোগ্য যে যোৱা বৰ্ষৰ তুলনাত এই বৰ্ষৰ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ০ দশমিক ০-৪ শতাংশ বৃদ্ধি পায়। ত্ৰিবান্দ্ৰম আৰু বিজয়ৱাড়া অঞ্চলত সৰ্বাধিক সংখ্যক ৯৯ দশমিক ৭-৯ শতাংশ শিক্ষাৰ্থীয়ে উত্তীৰ্ণ হোৱাৰ বিপৰীতে গুৱাহাটী অঞ্চলত সৰ্বনিম্ন ৮৭ দশমিক ৫-০ শতাংশ শিক্ষাৰ্থীয়ে এই পৰীক্ষাত উত্তীৰ্ণ হয়। শিক্ষাৰ্থীসকলে তেওঁলোকৰ ফলাফল cbse.gov.in, results.cbse.nic.in, cbseresults.nic.in, ডিজি ল'কাৰ, ওমং এপ আদিৰ জৰিয়তে লাভ কৰিব পাৰিব।

০০০০

ৰঙালী বিহুৰ আজি দ্বিতীয় দিনটো অসমত মানুহ বিহু হিচাপে পালন কৰা হয়। ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰি সকলোৱে আজি মাহ, হালধিৰে গা ধুই বছৰটোৰ বাবে মংগল কামনা কৰে। নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পিঠা-পনা, জা-জলপানেৰে অতিথি আপ্যায়ন কৰা হয়। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

০০০০

মণিপুৰৰ গৃহমন্ত্ৰী গোবিন্দাছ কন্থৌজামে জনসাধাৰণক ভুৱা বাতৰি প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। ইম্ফলৰ মন্ত্ৰীপুখ্ৰীত নতুনকৈ নিৰ্মাণ হোৱা সচিবালয়ৰ মন্ত্ৰী ভৱনত সংবাদ মাধ্যমক উদ্দেশ্যি মন্ত্ৰীগৰাকীয়ে কয়, যে বিষ্ণুপুৰ জিলাত কালি সংঘটিত হোৱা এটা দুৰ্ভাগ্যজনক ঘটনাৰ বাবে বৰ্তমান জিলাখনত উত্তেজনামূলক পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে বিষ্ণুপুৰ জিলাত কালি হোৱা এটা বিক্ষোভৰ ঘটনাত বিক্ষোভকাৰীসকলে দুখনকৈ বাহন ভাঙি লণ্ড-ভণ্ড কৰে। ইয়াৰ লগতে আৰক্ষী প্ৰশাসন আৰু দুৰ্যোগ প্ৰশমন বাহিনীয়ে বিক্ষোভকাৰীসকলক বাধা দিয়াৰ সময়ত ১২জন বিক্ষোভকাৰী গুৰুতৰভাৱে আহত হৈছে। এই ঘটনাৰ সবিশেষ জনাই মন্ত্ৰীগৰাকীয়ে কয় যে বিষ্ণুপুৰ জিলাত কালি পুৱাৰ ভাগত চি আই এছ এফ, আছাম ৰাইফল আৰু ৰাজ্যিক সামৰিক বাহিনীয়ে গোপন সূত্ৰৰ পম খেদি তুলিহাল বিমান বন্দৰৰ পৰা নিচাযুক্ত দ্ৰব্য সৰবৰাহী এটা দলক কৰায়ত্ত কৰি সোধ-পোচ আৰম্ভ কৰিছিল। আনহাতে সোধ-পোচৰ বাবে দলটোক থানালৈ লৈ অহাৰ বাটত মহিলাৰ এটা দলে ভুলবশতঃ এটা বিশেষ জনজাতিৰ এজন ব্যক্তিক আৰক্ষীৰ বাহনৰ ভিতৰত থকাৰ কথা দাবী কৰে আৰু এই ঘটনাই হিংসাৰ ৰূপ লয়। তেওঁ লগতে কয় যে সামৰিক বাহিনীৰ বহুকেইজন কৰ্মচাৰী এই ঘটনাৰ সৈতে সাঙুৰ খাই পৰিছে আৰু ন্যায় তথা নিৰাপত্তাৰ বিষয়টো ইয়াৰ সৈতে জড়িত হৈ আছে। নিৰাপত্তা বাহিনীয়ে কেন্দ্ৰীয় সামৰিক বাহিনীৰ সৈতে যুটীয়াভাৱে অভিযান চলাই আছে আৰু এই হিংসাত্মক ঘটনাৰ সূত্ৰপাত ঘটোৱাৰ আঁৰৰ ব্যক্তিকেইজনক বিচাৰি উলিওৱাৰ চেষ্টা অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনৰ নাগৰিকসকলক ভুৱা তথ্য প্ৰচাৰ নকৰিবলৈ লগতে শংকিত হৈ যিকোনো পদক্ষেপ হাতত নল'বলৈ আহ্বান জনাইছে।

০০০০

বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। বিহাৰৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল ছৈয়দ অটা হাচনাইনে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। শ্ৰীচৌধুৰী ৰাজ্যৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত বিজেপিৰ প্ৰথমগৰাকী নেতা। এই অনুষ্ঠানতে জনতা দল ইউনাইটেডৰ নেতা তথা চৰাইৰ বিধায়ক বিজয় কুমাৰ চৌধুৰী আৰু চুপলৰ বিধয়ক ব্ৰিজেন্দ্ৰ প্ৰসাদ যাদৱেও উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডা, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বিহাৰত নতুন চৰকাৰ গঠন কৰাৰ পাছতেই নতুন মন্ত্ৰীসকলৰ মাজত দপ্তৰ বিতৰণ কৰা হৈছে। কেবিনেট সচিবালয় বিভাগৰ পৰা জাৰি কৰা এখন বিজ্ঞপ্তি মতে, মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীক গৃহ, সাধাৰণ প্ৰশাসন আদিকে ধৰি ২৯টা বিভাগৰ দায়িত্ব দিয়া হৈছে। উপ-মুখ্যমন্ত্ৰী বিজয় কুমাৰ চৌধৰীক সংসদীয় পৰিক্ৰমা, জলসম্পদ আদিকে ধৰি ১০টা বিভাগৰ দায়িত্ব দিয়া হৈছে। অন্য এগৰাকী উপ-মুখ্যমন্ত্ৰী বিজেন্দ্ৰ প্ৰসাদ যাদৱে বিত্ত আদিকে ধৰি আঠটা বিভাগৰ দায়িত্ব চম্ভালিব।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পশ্চিম বংগৰ মালদহৰ পৰা ভাৰ্চুৱেলি দাৰ্জিলিঙৰ লাবং খেলপথাৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এখন নিৰ্বাচনী সভাত অংশ লয়। ৰাইজক সম্বোধন কৰি তেওঁ কয় যে পশ্চিম বংগৰ গোৰ্খা জনগোষ্ঠীৰ সমস্যা সমাধানৰ লগতে গোৰ্খা জনগোষ্ঠীৰ বিৰুদ্ধে হোৱা ভুৱা গোচৰ প্ৰত্যাহাৰ কৰা হ'ব। আনহাতে শ্ৰীশ্বাহে এই সভাত তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীকো তীব্ৰ ভাষাৰে সমালোচনা কৰে। এই দলীয় নিৰ্বাচনী প্ৰচাৰ সভাত শ্ৰীশ্বাহক বিজেপি জ্যেষ্ঠ নেতা নিৰ্মলা সীতাৰমন, স্মৃতি ইৰাণী আৰু অনুৰাগ ঠাকুৰে সংগ দিয়ে। প্ৰতিকূল বতৰৰ বাবে দাৰ্জিলিং ভ্ৰমণ কৰিবলৈ নোৱৰাৰ বিষয়টোক লৈ দুখ প্ৰকাশ কৰি শ্ৰীশ্বাহে কয় যে অতি শীঘ্ৰে তেওঁ শিলিগুৰি তথা দাৰ্জিলিঙৰ পাদদেশত অৱস্থিত চুকানা অঞ্চল ভ্ৰমণ কৰি বিশাল গণ সমাবেশত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত শ্ৰীশ্বাহে আলিপুৰদুৱাৰৰ ফালাকাটা মিল ৰোডত এখন নিৰ্বাচনী সভাত ভাগ লয়।

০০০০

ৰাছিয়াই কালি ইউক্ৰেইনৰ দক্ষিণ বন্দৰ আন্তঃগাঁথনিক লক্ষ্য কৰি শতাধিক ড্ৰোণ আৰু তিনিটা বেলিষ্টিক মিছাইল প্ৰক্ষেপন কৰে। ইউক্ৰেইনৰ তৰফৰ পৰা জানিবলৈ দিয়া মতে এই আক্ৰমণত এজন ব্যক্তি নিহত হোৱাৰ লগতে সাতগৰাকী ব্যক্তি আহত হয়। ইউক্ৰেইনৰ বায়ুসেনা বিভাগে এই আক্ৰমণত মিছাইলৰ লগতে ৩২৪টা ড্ৰোণ ব্যৱহাৰ কৰা হৈছিল বুলি জানিবলৈ দিছে। সংবাদ মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিয়ে জানিবলৈ দিছে যে যোৱা ২৪ ঘণ্টাত ইউক্ৰেইনৰ নিক্ৰো, ছাৰ্কাছি, খাৰকীভ, ক্ৰিভি ৰি, চাৰ্নিহীভৰ লগতে আন বহুতো অঞ্চলত এই আক্ৰমণ চলোৱা হৈছে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে মহিলাৰ বিকাশ আৰু নাগৰিকৰ শক্তিশালী অংশগ্ৰহণ সুনিশ্চিত কৰাৰ অৰ্থে অহা শুকুৰ আৰু শনিবাৰে দেশজুৰি নাৰী শক্তি বন্দন দৌৰৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে এই দৌৰ শুকুৰবাৰে পাটনা আৰু জয়পুৰত অনুষ্ঠিত হ'ব। ইয়াৰ বিপৰীতে শনিবৰাৰ দিনটোত এই নাৰী শক্তি বন্দনৰ বিশেষ অনুষ্ঠান দিল্লী, কটক, মুম্বাই, ইণ্ডোৰ আৰু বেংগালুৰুত অনুষ্ঠিত হ'ব। ছাত্ৰী, মহিলা কৰ্মচাৰী, মহিলা উদ্যমী, মহিলা খেলুৱৈ আৰু সমাজৰ বিভিন্ন স্তৰৰ বৃহৎ সংখ্যক মহিলাই যাতে এই দৌৰত অংশগ্ৰহণ কৰে সেয়া সুনিশ্চিত কৰাই এই দৌৰৰ মুখ্য উদ্দেশ্য বুলিও মন্ত্ৰালয়ে জানিবলৈ দিছে। সংসদৰ চলিত অধিবেশনৰ সময়ত এই দৌৰ অনুষ্ঠিত কৰাৰ বিষয়ে উল্লেখ কৰি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে জানিবলৈ দিয়ে যে এই দৌৰৰ সময়ছোৱাত মহিলাসকলৰ অগ্ৰগতিৰ সৈতে জড়িত হৈ থকা বিভিন্ন বিষয় সন্দৰ্ভত উদয় হোৱা বিভিন্ন প্ৰশ্ন সদনৰ এই অধিবেশনৰ সময়ছোৱাত আলোচনা কৰা হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। টছত জয়ী হৈ ইতিমধ্যে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

০০০০

সমাপ্ত